Roll No. | | | | | |

Code No. **004**

Candidates must write the Code on the title-page of the answer-book.

# ASSAMESE

# অসমীয়া

***General Instructions :***

***Read the following instructions very carefully and strictly follow them :***

*সময় ঃ 3 ঘণ্টা* — *মুঠ নম্বৰ ঃ 80*

*Time allowed : 3 hours* — *Maximum marks : 80*

***Note :***

(i) *Please check that this question paper contains* **08** *printed pages.*

(ii) *Code number given on the right hand side of the question paper should be written on the title -page of the answer-book by the candidate.*

(iii) *Please check that this question paper contains* **20** *questions.*

(iv) ***Please write down the Serial Number of the question in the answer-book before attempting it.***

(v) **15** *minutes time has been allotted to read this question paper. The question paper will be distributed at* **10.15** *a.m. From* **10.15** *a.m. to* **10.30** *a.m., the students will read the question paper only and will not write any answer in the answer-book during this period.*

(vi) *This question paper comprises* ***four Sections - Section A***, ***Section B***, ***Section C*** *and* ***Section D***.

(vii) ***Section A*** *- contains* **1** *question, Question no.* **1**.

(viii) ***Section B*** *- contains* **5** *questions, Question no.* **2** *to* **6**.

(ix) ***Section C*** *- contains* **8** *questions, Question no.* **7** *to* **14**.

(x) ***Section D*** *contains* **6** *questions, Question no.* **15** *to* **20**.

(xi) ***All*** *questions are* ***compulsory***.

(xii) *Answer should be in brief and to the point.*

(xiii) *Separate instructions are given with each section and question wherever necessary.*

**SECTION - A (15 Marks)**

## বোধ পৰীক্ষণ

**1.** (a) তলত দিয়া অনুচ্ছেদটো মনোযোগেৰে পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰ বাছি উলিয়াই লিখা ঃ

আখ্যানমূলক গীতৰ মাজেদি একোটি আখ্যান বৰ্ণনা কৰা হয়। ইয়াক কাহিনী-গীত বা মালিতাও (ballad) বোলে। এনে গীতত বীৰত্বব্যঞ্জক বা আদি ৰসাত্মক কাহিনী, দুঃসাহসিক বা অতিপ্ৰাকৃত ঘটনা আদিও বৰ্ণিত হয়; কিন্তু কৰুণ ৰসেই এনে গীতৰ প্ৰধান সুৰ।

বিষয়বস্তুৰ ফালৰ পৰা মালিতাক তিনিটা শ্ৰেণীত ভগাব পাৰি; (১) বুৰঞ্জীমূলক, (২) কিংবদন্তী বা জনশ্ৰুতিমূলক আৰু (৩) কাল্পনিক।

বুৰঞ্জীমূলক মালিতাৰ ভিতৰত নাহৰৰ গীত, চিকন সৰিয়হৰ গীত, জয়মতী কুঁৱৰীৰ গীত, গৌৰীনাথ সিংহৰ গীত, হৰদত্তৰ গীত, মণিৰামৰ গীত আদি পৰে। ইয়াৰ ভিতৰত নাহৰৰ গীত প্ৰাচীনতম আৰু মণিৰাম দেৱানৰ গীত একেবাৰে অৰ্বাচীন। বৰফুকনৰ গীতৰ বাহিৰে বাকীবোৰ গীত সম্পূৰ্ণৰূপে সংগৃহীত হোৱা নাই। তথাপি কৰুণ ৰসেৰে সিক্ত প্ৰতিটো গীততে ঐতিহাসিক ব্যক্তিজনাৰ প্ৰতি সহানুভূতি প্ৰকাশ পাইছে।

কিংবদন্তী বা জনশ্ৰুতিৰ আধাৰত ৰচিত গীতবোৰ হ'ল - মণিকোঁৱৰৰ গীত, ফুলকোঁৱৰৰ গীত, জনা গাভৰুৰ গীত, ময়নামতীৰ গীত, কমলাকুঁৱৰীৰ গীত আদি। এই গীতবোৰৰ মাজেদি মনোৰঞ্জক কাহিনী একোটি বৰ্ণিত হৈছে। শংকৰদেউ ৰজাৰ পুতেক মণিকোঁৱৰে ঘোঁৰাৰে গৈ বৰবৰুৱাৰ জীয়েক কাচনমতীক বিয়া কৰায়। যোল্ল বছৰ বয়সত জলকুঁৱৰীয়ে মণিকোঁৱৰক হৰণ কৰি পানীৰ তললৈ নিয়ে। মণিকোঁৱৰৰ পুতেক ফুলকোঁৱৰে কাঠৰ ঘোঁৰাৰে মালিনীৰ ফুলনিলৈ যায় আৰু তাতে মালিনীৰ সহায়ত ৰজাৰ জীয়েক পঁচেতুলীক বিয়া কৰায়। দুটি ল'ৰা ওপজাৰ পাছত ফুলকোঁৱৰক বগা হাতীয়ে নি ৰজা পাতে। পঁচেতুলীক সাউদে নিয়ে। অৱশ্যে অৱশেষত আটাইৰে মিলন হয়। জনা গাভৰুৰ গীতটো বীৰত্বব্যঞ্জক। জনাই ৰাণী হৈ ঘোষণা কৰিলে যে যিয়ে তিনিটা পৰীক্ষাত উত্তীৰ্ণ হ'ব তাকে তেওঁ বিয়া কৰাব। কিন্তু নশ কোঁৱৰ বিফল মনোৰথ হোৱাৰ পাছত নগাঁৰৰ গোপীচন কোঁৱৰে পৰীক্ষাত উত্তীৰ্ণ হৈ জনাক বিয়া কৰায়। বঙলা গীতত জনা আৰু গোপীচনৰ উল্লেখ থাকিলেও অসমীয়া গীতৰ লগত সিবোৰৰ বিশেষ সম্বন্ধ নাই। এই গীতকেইটিত অসমৰ সংস্কৃতি আৰু আহোম ৰাজত্বৰ এটি আভাস পোৱা যায়।

কন্যা বাৰমাহী, দুবলা শান্তিৰ গীত, মধুমতীৰ গীত, শান্তি বাৰমাহী, জয়ধন বণিয়াৰ গীত আদি কাল্পনিক গীত বা বাৰমাহী গীত। এনে গীত কৰুণ ৰস প্ৰধান আৰু তাত প্ৰোষিতভৰ্তৃকা নায়িকাৰ প্ৰিয়-বিৰহৰ বৰ্ণনা থাকে। প্ৰতিটো ঋতুৱেই যে অসমৰ প্ৰকৃতিক নানা আভৰণেৰে অলংকৃত কৰে, তাৰ পৰিচয় বাৰমাহী গীতত পোৱা যায়।

(I) মণিকোঁৱৰ কাৰ পুত্ৰ আছিল ? **1**

(A) ফুলকোঁৱৰৰ (B) পঁচেতুলীৰ

(C) শংকৰদেউ ৰজাৰ (D) বৰবৰুৱাৰ

(II) কাহিনী-গীত বা মালিতাবোৰৰ প্ৰধান ৰস হৈছে - **1**

(A) শান্ত ৰস (B) শৃংগাৰ ৰস

(C) বীৰ ৰস (D) কৰুণ ৰস

(III) উদ্ধৃত গদ্যাংশত থকা 'হাতী'-ৰ সমাৰ্থক শব্দ কোনটো ? **1**

(A) হস্ত (B) হস্তী

(C) ক্ষিতি (D) বহ্নি

(IV) তলত দিয়া গীতকেইটাৰ ভিতৰত কোনটোত বাৰটা মাহৰ প্ৰকৃতিৰ বৰ্ণনা পোৱা যায় ? **1**

(A) মধুমতীৰ গীত (B) মণিৰামৰ গীত

(C) চিকন সৰিয়হৰ গীত (D) নাহৰৰ গীত

(V) অসমৰ সংস্কৃতি আৰু আহোম ৰাজত্বৰ আভাস থকা এটি গীতৰ উদাহৰণ হৈছে - **1**

(A) জয়ধন বণিয়াৰ গীত (B) জয়মতী কুঁৱৰীৰ গীত

(C) দুবলা শান্তিৰ গীত (D) শান্তি বাৰমাহীৰ গীত

(VI) কমলাকুঁৱৰীৰ গীতটো হৈছে - **1**

(A) বাৰমাহী গীত (B) বীৰত্বব্যঞ্জক গীত

(C) জনশ্ৰুতিৰ আধাৰত ৰচিত গীত (D) জয়মতীৰ জীৱনভিত্তিক গীত

(VII) তলত উল্লেখ কৰা গীতকেইটাৰ ভিতৰত কোনটো সম্পূৰ্ণৰূপে সংগৃহীত হোৱা বুলি গদ্যাংশটোত উল্লেখ কৰা হৈছে ? **1**

(A) জনা গাভৰুৰ গীত (B) মধুমতীৰ গীত

(C) জয়ধন বণিয়াৰ গীত (D) বৰফুকনৰ গীত

(VIII) ৰজাৰ জীয়েকক বিয়া কৰিবলৈ ফুলকোঁৱৰক কোনে সহায় কৰিছিল ? **1**

(A) মণিকোঁৱৰে (B) মালিনীয়ে

(C) জলকুঁৱৰীয়ে (D) কাচনমতীয়ে

(IX) 'প্ৰকাশ' - শব্দটোত কি উপসৰ্গ যোগ হৈছে ? **1**

(A) পৰ (B) প

(C) প্ৰ (D) প্ৰতি

(b) (X) আখ্যানমূলক গীত বা মালিতা কি ? বিষয়বস্তুৰ আধাৰত মালিতাসমূহক কি কি ভাগত ভগাব পৰা যায় ? **2**

(XI) জনশ্ৰুতিমূলক গীতৰ বিষয়ে চমুকৈ লিখা। **2**

(XII) যিকোনো দুটা বাৰমাহী গীতৰ নাম লিখা। বাৰমাহী গীতসমূহত অসমৰ কি পৰিচয় পোৱা যায় ? **2**

## SECTION - B (25 Marks)

## লিখন কলা

**2.** (a) তলত দিয়া সংকেত বাক্যবোৰৰ সহায়ত শিৰোনাম আৰু নীতিশিক্ষাসহ গল্পটো সম্পূর্ণ কৰা ঃ **5x1=5**

এখন গাঁও . . . এটা মিছলীয়া স্বভাৱৰ গৰখীয়া . . . গৰু চৰাবলৈ ওচৰৰে হাবিলৈ যায় . . . . . বাঘ আহিছে বুলি চিঞৰ-বাখৰ . . . হাতে-হাতে লাঠি, দা আদি লৈ গঞা ৰাইজ বাঘ খেদিবলৈ দৌৰি যায় . . . গৰখীয়া ল'ৰাটোৰে হাঁহে . . . তৃতীয়দিনা সঁচাকৈয়ে বাঘ ওলায় . . . . . মিছাকৈ চিঞৰা বুলি তাক সহায় কৰিবলৈ কোনো নাহে . . . .।

**নাইবা**

(b) তলত দিয়া বিষয় দুটাৰ যিকোনো এটা বাছি লৈ এখন ৰচনা লিখা ঃ

(I) ভাৰতৰ জাতীয় সংহতি

(II) দেশ ভ্ৰমণ

**3.** তোমাৰ বিদ্যালয়ত উদ্‌যাপন কৰা সৰস্বতী পূজাৰ বিষয়ে জনাই বাতৰি কাকতত প্ৰকাশৰ বাবে এখন প্ৰতিবেদন যুগুত কৰা। (বিদ্যালয়ৰ নাম সাংকেতিক আখৰত লিখিবা।) **5**

**4.** তলত দিয়া যিকোনো এটা ফকৰা-যোজনাৰ ভাবাৰ্থ বুজাই লিখা। **5x1=5**

(I) এশ গৰু মাৰিলে বাঘৰো মৰণ

(II) অভ্যাসৰ নৰ কৰ্ণ পথে কৰে শৰ

**5.** (a) তোমাৰ চলিত পৰীক্ষাৰ পিছৰ দিন কেইটা কেনেদৰে কটাম বুলি ভাবিছা; তাৰ বিষয়ে জনাই বন্ধুলৈ এখন চিঠি লিখা। **5x1=5**

(চিঠিত নাম আৰু ঠিকনা সাংকেতিক আখৰত লিখিবা।)

**নাইবা**

(b) তোমাৰ অঞ্চলৰ বানপানীৰ সমস্যা আৰু ইয়াৰ সাহায্যৰ বাবে জিলা উপাযুক্তলৈ এখন আবেদন কৰা।

**6.** তলত দিয়া জঁতুৱা খণ্ডবাক্যকেইটাৰ পৰা যিকোনো পাঁচটাৰে একোটাকৈ অৰ্থবহ বাক্য ৰচনা কৰা। **5x1=5**

গা টঙা, ঘৰ গিৰী, চকু মেলি চা, মুখ লগা, চকুৰ কূটা, দাঁত লগা

## SECTION - C (20 Marks)

### ব্যাকৰণ

7. তলত দিয়া শব্দকেইটাৰ শুদ্ধ সন্ধি বাছি উলিয়াই উত্তৰ লিখা ঃ **1x4=4**

(I) হাবিয়নি

(A) হাবি + অনি (B) হাবি + নি

(C) হা + বিয়নি (D) হাবি + য়নি

(II) নাৱৰীয়া

(A) নাৱ + ৰীয়া (B) নাৱ + অৰীয়া

(C) নাও + অৰীয়া (D) নাও + ৰীয়া

(III) দুৰৱস্থা

(A) দুৰ + অৱস্থা (B) দুঃ + অৱস্থা

(C) দুৰঃ + অৱস্থা (D) দু + অৱস্থা

(IV) ভাস্কৰ

(A) ভাস্ + কৰ (B) ভা + স্কৰ

(C) ভাঃ + কৰ (D) ভাঃ + স্কৰ

8. শুদ্ধ উপসৰ্গৰ বিকল্পটো বাছি উলিয়াই লিখা ঃ **1x2=2**

(I) 'অতিৰিক্ত' শব্দটোত কি উপসৰ্গ যোগ হৈছে ?

(A) অতি (B) অ

(C) অতিঃ (D) অতিৰ

(II) 'দুৰাকাংক্ষা' শব্দটোত কি উপসৰ্গ যোগ হৈছে ?

(A) দুঃ (B) দুৰক

(C) দুৰ (D) দু

9. শুদ্ধ বিকল্পটো বাছি উলিয়াই উত্তৰ লিখা ঃ **1x2=2**

(I) ক্রিয়া বা অন্য পদৰ পিছত বহি সিহঁতৰ অৰ্থ বিশেষভাবে দেখুওৱা বৰ্ণসমষ্টিক কি বুলি কোৱা হয় ?

(A) বিশেষণ (B) প্রত্যয়

(C) অনুসৰ্গ বা পৰসৰ্গ (D) সমাস

(II) তলৰ কোনটোত অনুসৰ্গৰ প্রয়োগ হৈছে ?

(A) অভিমুখ (B) আহাচোন

(C) বেহিচাপী (D) সুদৰ্শন

**10.** শুদ্ধ সমাৰ্থক শব্দটো লিখা ঃ **1x2=2**

(I) নিশা -

(A) ৰজনী (B) পুৰতি

(C) চন্দ্ৰমা (D) মিহিৰ

(II) নদী -

(A) নদীয়াল (B) তটিনী

(C) পুষ্কৰিণী (D) নীৰজ

**11.** শুদ্ধ বিপৰীতাৰ্থক শব্দটো বাছি উলিয়াই লিখা ঃ **1x2=2**

(I) পোহৰ -

(A) দিন (B) জোনাক

(C) আন্ধাৰ (D) মুনি-চুনি

(II) পাতল -

(A) অলপীয়া (B) তাকৰ

(C) জুলীয়া (D) গধুৰ

**12.** শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা ঃ **1x4=4**

(I) "মই লিখি আছিলোঁ আৰু মায়ে পঢ়ি আছিল।"

(A) সৰল বাক্য (B) জটিল বাক্য

(C) যৌগিক বাক্য (D) অনুজ্ঞাসূচক বাক্য

(II) "ৰহিম যে চোকা ল'ৰা; আমি আগতে জনা নাছিলোঁ।"

(A) জটিল বাক্য (B) যৌগিক বাক্য

(C) সৰল বাক্য (D) নিষেধাত্মক বাক্য

(III) "ছাত্ৰ-ছাত্ৰীসকলে কিতাপ পঢ়ি আছে।"

(A) সৰল বাক্য (B) জটিল বাক্য

(C) যৌগিক বাক্য (D) ইচ্ছাত্মক বাক্য

(IV) "যি ছাত্ৰই ভালদৰে পঢ়া-শুনা কৰে, তেঁৱেই পৰীক্ষাত ভাল ফল দেখুৱাব পাৰে।"

(A) অনুজ্ঞাসূচক বাক্য (B) সৰল বাক্য

(C) যৌগিক বাক্য (D) মিশ্ৰ বাক্য

**13.** অতি চমুকৈ লিখা ঃ **1x2=2**

(I) 'পঢ়িছিল' ক্ৰিয়াপদটোৰ ধাতু নিৰ্ণয় কৰা।

(II) ধাতু কাক বোলে ?

**14.** নিৰ্দেশ অনুসৰি উত্তৰ লিখা ঃ **1x2=2**

(I) "সূৰ্য পূবত উদয় হয়।" - এই বাক্যটো কোনবিধ কালৰ উদাহৰণ ?

(II) কালৰ প্ৰধান ভাগ কেইটা ?

## SECTION - D (20 Marks)

## (গদ্য ভাগ)

**15.** তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা ঃ **4x1=4**

(I) দুপৰীয়াৰ আহাৰৰ পাছত পল, আফতাব আৰু সৌৰভ মনে মনে ক'লৈ গৈ কি বিপদত পৰিছিল আৰু সেই বিপদৰ পৰা সিহঁতে কেনেকৈ উদ্ধাৰ পালে বৰ্ণনা কৰা।

(II) "দেখা যায় সকলোকে বান্ধি থোৱা এনাজৰীডাল আছিল অসমীয়া ভাষা।" - কথাশাৰী পাঠৰ আধাৰত বুজাই লিখা।

(III) এজন সফল উদ্যোগী হ'বলৈ যোৱাটোও চাইকেল চলাবলৈ শিকাৰ দৰে একক প্ৰচেষ্টাৰে কৰা কাম বুলি শিক্ষকগৰাকীয়ে কিয় কৈছে বুজাই লিখা।

**16.** তলৰ যিকোনো এটাৰ চমু উত্তৰ লিখা ঃ **1x2=2**

(I) বাপীৰাম হাজৰিকা কোন আছিল ? তেওঁৰ নামটো এশিঙীয়া গঁড়ৰ লগত কেনেদৰে জড়িত ?

(II) সফল উদ্যোগী কেনেদৰে হ'ব পৰা যায় ?

(III) "অসমৰ জনগোষ্ঠীৰ গাঁথনি আৰু সংস্কৃতি" - পাঠটোত থকা খাদ্য-বস্তুৰ এখন তালিকা প্ৰস্তুত কৰা।

**17.** অতি চমুকৈ উত্তৰ লিখা ঃ **1x4=4**

(I) কাজিৰঙালৈ যাত্ৰা কৰা দলটোৰ অসমীয়া শিক্ষক গৰাকীৰ নাম কি ?

(II) অসমলৈ মংগোলীয় জনগোষ্ঠীৰ লোকসকল মূল কোন ঠাইৰ পৰা প্ৰব্ৰজন কৰিছিল ?

(III) ১৮৩৬ চনৰ পৰা ১৮৭৩ চনলৈকে অসমৰ বিদ্যালয়সমূহত শিক্ষাৰ মাধ্যম কি আছিল ?

(IV) কাজিৰঙাৰ উপৰিও অসমৰ আৰু কেইখনমান ৰাষ্ট্ৰীয় উদ্যানত গঁড় দেখা পোৱা যায় তাৰে এখনৰ নাম লিখা।

## (পদ্য ভাগ)

**18.** তলত দিয়া যিকোনো এটা প্ৰশ্নৰ নিৰ্দেশ অনুসৰি উত্তৰ লিখা ঃ **4x1=4**

(I) তোমাৰ চৰণ দুই মোৰ মহা ধন।
ভকত জনেৰ নিজ তুমিসে জীৱন।।
- তাৎপৰ্য ব্যাখ্যা কৰা।

(II) ব্যাখ্যা কৰা ঃ
উঠে তৰু শিৰে শিৰে বন বিহঙ্গৰ
ছন্দভৰা সুমধুৰ তান,
জল স্থল অন্তৰীক্ষ সকলোতে যেন
দেৱতাৰ মহা অভিযান।

(III) জিকিৰৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰা।

**19.** যিকোনো এটা প্ৰশ্নৰ উত্তৰ চমুকৈ লিখা ঃ **1x2=2**

(I) 'প্ৰশস্তি' কবিতাটোত কোনবিধ ফুলক 'মন্দিৰৰ উপেক্ষিত' বুলি কোৱা হৈছে ? এই ফুলে কি যাচি দিছে ?

(II) বৰগীতত ব্যৱহৃত ব্ৰজাৱলী ভাষাটোৰ বিষয়ে চমুকৈ লিখা।

(III) 'মক্কাৰ দুৱাৰত চাহাব জীৱই মাৰে তালি।
যেনে শালে শ'লৰ লগত দৰিকাৰ টপালি।।'
- কবিতাফাকিৰ অন্তৰ্নিহিত ভাৱটি বুজাই লিখা।

**20.** অতি চমুকৈ উত্তৰ লিখা ঃ **1x4=4**

(I) "কৃপা কৰা নাৰায়ণ ছোড় মোহ পাশ।"
এই শাৰীটোত উল্লেখ থকা 'ছোড়' শব্দটোৰ অৰ্থ কি ?

(II) স্বৰ্গদেউ গদাধৰ সিংহই আজান পীৰক কোন ঠাইত মাটি-বাৰী দি মছজিদ সজাই দিছিল ?

(III) ধ্ৰুৱ তৰাক জিকিৰত কি বুলি উল্লেখ কৰা হৈছে ?

(IV) 'প্ৰশস্তি' কবিতাটোত কবিয়ে কাক আৰাধনা কৰিছে ?

-oOo-